**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ কানপুৰত আজি প্ৰায় ৪৭ হাজাৰ ৬০০ কোটি টকা মূল্যৰ ১৫টা বৃহৎ উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি অলপতে পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত হোৱা নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ বাসিন্দাসকলৰ বাবে বিশেষ পেকেজ ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে।

৪। ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ যুটি ছাত্বিক সাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ছেমি ফাইনেলত প্ৰবেশ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰত আজি গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

উত্তৰ প্ৰদেশৰ কানপুৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি প্ৰায় ৪৭,৬০০ কোটি টকাৰ মূল্যৰ ১৫টা বৃহৎ উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কানপুৰ মেট্ৰ'ৰ চুন্নীগঞ্জ আৰু নয়াগঞ্জৰ মাজৰ নতুন কৰিড'ৰো তেওঁ পতাকা জোকাৰি শুভাৰম্ভ কৰে। সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে অপাৰেচন সিন্দুৰৰ ৰূপত কন্যাসকলৰ ক্ষোভ আৰু যন্ত্ৰণা সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিছে, আৰু ভাৰতে পাকিস্তানৰ কেইবাটাও সন্ত্ৰাসবাদী কেন্দ্ৰ সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলাইছে। তেওঁ কয় যে অপাৰেচন সিন্দুৰৰ সময়ত কঁপি থকা শত্ৰু কোনো বিভ্ৰান্তিত থাকিব নালাগে কিয়নো অপাৰেচন সিন্দুৰ এতিয়াও শেষ হোৱা নাই। প্ৰধানমন্ত্ৰীয়ে কয় যে পাকিস্তানৰ নেতাসকলে আৰু নিজৰ খেল খেলিব নোৱাৰে। শত্ৰুৰ সৈতে নিৰ্ণায়কভাৱে মোকাবিলা কৰা হ'ব বুলি শ্ৰী মোদীয়ে কয়। তেওঁ কয় যে আমাৰ সশস্ত্ৰ বাহিনীৰ সাহস আৰু সৌৰ্যৰ বাবেই পাকিস্তানক যুদ্ধবিৰতিৰ বাবে ভিক্ষা খুজিবলৈ বাধ্য কৰাইছিল।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে অনুষ্ঠানত কয় যে চৰকাৰে দেশৰ নিৰাপত্তাৰ প্ৰতি সৰ্বোচ্চ অগ্ৰাধিকাৰ দি জাতিৰ শত্ৰুক তেওঁলোকে বুজি পোৱা ভাষাত প্ৰত্যুত্তৰ দিছে। সভাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে চাকেৰী বিমানবন্দৰত পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা শুভম দ্বিবেদীৰ পৰিয়ালক সাক্ষাৎ কৰে। শুভম দ্বিবেদীৰ পত্নী ঐশন্য

দ্বিবেদীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শোক ব্যক্ত কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ শেষ হোৱা নাই বুলি কয়।

ooooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি অলপতে পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত হোৱা নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ বাসিন্দাসকলৰ বাবে বিশেষ পেকেজ ঘোষণা কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে কৈছে যে বৰ্তমানৰ ৯০ হাজাৰ বাংকাৰৰ উপৰি সীমান্তবাসীৰ সুৰক্ষা নিশ্চিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্তভাৱে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। গোলাবৰ্ষণৰ ফলত নিহত হোৱা লোকৰ নিকটাত্মীয়লৈ নিযুক্তিপত্ৰ বিতৰণৰ বাবে পুঞ্চ জিলাত আয়োজিত কাৰ্যসূচীত সম্বোধন কৰি গৃহ মন্ত্ৰীগৰাকীয়ে কয় যে জিলা প্ৰশাসনে ইতিমধ্যে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত সবিশেষ মূল্যায়ন কৰি আছে। কেন্দ্ৰীয় চৰকাৰে দুৰ্গত লোকৰ পৰিয়াললৈ সকলো ধৰণৰ সহযোগিতা প্ৰদান কৰিব। তেওঁ কয় যে ভাৰতীয় সেনাবাহিনীয়ে চলোৱা অপাৰেচন সিন্দূৰ অভিযানৰ ফলত সীমান্তৰ সিপাৰত নিৰ্ধাৰিত লক্ষ্যত সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি ধ্বংস কৰে। শ্ৰীশ্বাহে কয় যে এই অভিযান পাকিস্তানৰ নিৰাপত্তা বাহিনী অথবা জনসাধাৰণৰ বিৰুদ্ধে চলোৱা হোৱা নাছিল, এই অভিযান কেৱল সন্ত্ৰাসবাদীৰ শিবিৰক লক্ষ্য কৰি চলোৱা হৈছিল। তেওঁ লগতে কয় যে ইয়াৰ প্ৰত্যুত্তৰত পাকিস্তানে জম্মু-কাশ্মীৰৰ অসামৰিক অঞ্চলসমূহলৈ লক্ষ্য কৰি গোলাবৰ্ষণ কৰে। শ্ৰীশ্বাহে কয় যে ২০১৪ চনৰ পৰা এই অঞ্চলটোত আৰম্ভ হোৱা উন্নয়নমূলক কাম-কাজসমূহ অব্যাহত থাকিব। নিৰাপত্তা বাহিনীসমূহে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিব বুলিও তেওঁ প্ৰকাশ কৰে।

ooooooo

কেন্দ্ৰীয় ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। নতুন দিল্লীত আয়োজিত **ইণ্ডিয়া এ আই মিছন - মেক ইন ইণ্ডিয়া আৰু মেক এ আই ফৰ ইণ্ডিয়া** শীৰ্ষক কাৰ্যসূচীত ভাষণ দি শ্ৰীবৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰযুক্তিক গণতন্ত্ৰৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত এটা বিশেষ লক্ষ্য আছে যাতে নিৰ্দিষ্ট কিছুসংখ্যক লোকৰ মাজতে প্ৰযুক্তি সীমাবদ্ধ হৈ নাথাকি সমাজৰ গৰিষ্ঠ সংখ্যক লোকে প্ৰযুক্তিক আঁকোৱালি ল'ব পাৰে। তেওঁ কয় যে প্ৰযুক্তিক জনসাধাৰণৰ কাষলৈ লৈ যোৱাৰ ক্ষেত্ৰত সাধাৰণ গণনাই বিশেষ ভূমিকা পালন কৰে। অনুষ্ঠানত শ্ৰীবৈষ্ণৱে ষ্টাৰ্টআপ, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সাধাৰণ গণনাৰ সুবিধা উপলব্ধ কৰোৱাৰ বাবে দ্বিতীয় পৰ্যায়ৰ কৃত্ৰিম বুদ্ধিমত্তাৰ গণনা সেৱাৰ জৰিয়তে ১৬ হাজাৰ গ্ৰাফিক প্ৰছেচিং ইউনিটৰ সুবিধা প্ৰদান কৰিব। তেওঁ কয় যে প্ৰথম গণনাৰ সুবিধা প্ৰায় ১৮ হাজাৰ উপলব্ধ হৈছে আৰু ইয়াৰ জৰিয়তে প্ৰায় ৩৪ হাজাৰ গ্ৰাফিক প্ৰছেচিং ইউনিটৰ সুবিধা প্ৰদান কৰা হৈছে।

ooooooo

১৫ জুনত হ'বলগীয়া ২০২৫ বৰ্ষৰ স্নাতকোত্তৰৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা-সহ-প্ৰৱেশ পৰীক্ষা NEET PG দুবেলাৰ সলনি এবেলা অনুষ্ঠিত কৰিবলৈ আজি উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়ে। ন্যায়াধীশ বিক্ৰম নাথৰ নেতৃত্বাধীন এখন বিচাৰপীঠে

এই পৰীক্ষা এবেলা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিবলৈ আৰু সমগ্ৰ প্ৰক্ৰিয়াটোত সম্পূৰ্ণ স্বচ্ছতা বজাই ৰাখিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। বিচাৰপীঠখনে মন্তব্য কৰে যে দুবেলা প্ৰশ্নকাকতসমূহ কেতিয়াও একে অসুবিধাৰ স্তৰৰ হ'ব নোৱাৰে। NEET-PG পৰীক্ষা

পৰিচালনাৰ স্বচ্ছতাৰ অভাৱক প্ৰত্যাহ্বান জনাই দাখিল কৰা কেবাখনো আবেদনৰ আজি উচ্চতম ন্যায়ালয়ে শুনানি লয়। আদালতত দাখিল কৰা আবেদনত NEET-PGৰ প্ৰত্যাশী সকলে দাবী কৰে যে দুবেলা পৰীক্ষাৰ ব্যৱস্থা, স্বাভাৱিকীকৰণ পদ্ধতি আৰু টাই-ব্ৰেকাৰ মাপকাঠীৰ পৰিৱৰ্তনে চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে।

০০০০০০০

বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত সমগ্ৰ পূব আৰু উত্তৰ-পূব ভাৰতত কালিৰে পৰা হোৱা প্ৰৱল বৰষুণৰ ফলত অসমৰো বিভিন্ন ঠাইৰ জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। শিলচৰ আৰু হাটশিঙিমাৰিকে ধৰি দক্ষিণ অসম, মধ্য আৰু পশ্চিম অসমৰ  বিভিন্ন জিলাত যোৱা ২৪ ঘণ্টাত ৭ চেণ্টিমিটাৰৰ পৰা ৮ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ ৰেকৰ্ড কৰা হৈছে।

আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত নগৰীয়া বানে আজি জটিল ৰূপ ধাৰণ কৰে। ৰুক্মিণীগাঁৰৰ জি-এছ্ ৰোডৰ বিস্তৃৰ্ণ অঞ্চল এবুকু পৰ্যন্ত জলমগ্ন হৈ পৰাত সেই পথেৰে আজি যানবাহনৰ চলাচল বন্ধ হৈ পৰে। চিৰিয়াখানা পথৰ শ্ৰদ্ধাঞ্জলি উৰণ সেতুৰ দুয়োফালৰ আৰম্ভণিৰ অংশৰ লগতে উৰণ সেতুৰ তল অংশ সম্পূৰ্ণ প্লাৱিত হৈছে। এই পথেৰেও যান-বাহনৰ চলাচল বন্ধ হৈ পৰাত উৰণ সেতুৰ ওপৰত প্ৰচণ্ড যান-জঁটৰ সৃষ্টি হৈছে। মহানগৰীৰ বেলতলাৰ ৰায়াৰলেছ, হাতীগাঁও, জু-নাৰেংগী পথ, অনিল নগৰ, নবীন নগৰ, গোপীনাথ বৰদলৈ পথৰ অনুৰাধা চিনেমাৰ সন্মুখভাগ, চানমাৰি ক'ল'নি, আমবাৰী, গুৱাহাটীক্লাব, বৰাগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাই নগৰীয়া বানৰ কবলত পৰি জনজীৱন সম্পূৰ্ণ বিপৰ্যস্ত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে ৰুক্মিণীগাঁও, অনিল নগৰ, নবীন নগৰকে ধৰি ভালেমান অঞ্চলত জনসাধাৰণৰ যাতায়াতৰ বাবে ৰবৰৰ নাৱৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত খাৰঘুলিৰ চিত্ৰাচল পথত ভূমিস্খলন হয়। পাহাৰৰ ওপৰৰ পৰা খহি পৰা মাটিয়ে এটা ঘৰৰ আধা অংশ পুতি পেলায়। মহানগৰীৰ জ্যোতিনগৰৰ আকাশীপথত থকা এটা বিদ্যুতৰ খুঁটা উভালি পৰে।

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১4 এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৱাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে তিনি-চাৰিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

প্ৰৱল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

আমাৰ হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, নগাঁও আৰু হোজাইৰ সংবাদদাতাসকলে জনোৱা মতে ধাৰাসাৰ বৰষুণৰ ফলত জিলাকেইখনৰ স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ প্ৰধান উপ-নৈ সমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়িবলৈ লোৱাত নৈপৰীয়া জনসাধাৰণ শংকিত হৈ পৰিছে। কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা প্ৰবল বৰষুণৰ ফলত শিলচৰনগৰৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়।

0000000

দেশত ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৫ শতাংশ নিৰ্ধাৰণ কৰা হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অন্তিমটো ত্ৰিমাসিকত মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৪ শতাংশ নিৰ্ধাৰণ কৰা হৈছিল। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন ৯ দশমিক ৮ শতাংশ হয়। নিৰ্মাণ খণ্ডত বিগত বিত্তীয় বৰ্ষত ৯ দশমিক ৪ শতাংশ বৃদ্ধি হৈ বৃহৎ অৱদান আগবঢ়ায়। ৰাজহুৱা প্ৰশাসন, প্ৰতিৰক্ষা আৰু অন্যান্য সেৱা খণ্ডসমূহত ৮ দশমিক ৯ শতাংশ বৃদ্ধি হয়। বিত্তীয় গৃহ নিৰ্মাণ আৰু আন বাণিজ্যিক সেৱা খণ্ডত ৭ দশমিক ২ শতাংশ বৃদ্ধি হয়।

0000000

ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ যুটি ছাত্ত্বিক সাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে শীৰ্ষ স্থানৰ মালয়েছিয়াৰ গ'হ জে ফেই আৰু নুৰ ইজুদ্দিনক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰবেশ কৰিছে। ছিংগাপুৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোৱে বিশ্বৰ ১ নম্বৰ স্থানৰ মালয়েছিয়াৰ যুটীটোক মাত্ৰ ৩৯ মিনিটৰ খেলত ২১-১৭, ২১-১৫ পোনপটীয়া ছেটত পৰাস্ত কৰে। চলিত ছিজনত ভাৰতীয় যুটীটোৱে তৃতীয় বাৰৰ বাবে ছেমি ফাইনেলত প্ৰবেশ কৰিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰত আজি কিছু সময় পাছতে চণ্ডীগড়ত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পহিলা জুনত হ'ব লগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। দ্বিতীয়খন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৱে ৩ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছে।

ইফালে, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফেয়াৰত পাঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে।

0000000

সমাপ্ত